
কার্যাৱলী, মার্কেটিং কৌশল, গ্রহাকৰ খতিয়ান, হিচাপ-পত্র, বিত্তীয় তথ্য, আভ্যন্তৰীণ বিশেষজ্ঞ আদি।

- **বাহ্যিক বা প্রকাশিত তত্য ঃ** সাধাৰণতে এই গৌণ তথ্যসমূহ কোনো ব্যক্তি বা সংগঠনে প্রকাশ কৰা তথ্য। ইয়াত জনসংখ্যা, ৰাষ্ট্রীয় আয়, নিযুক্তি আদি এক বৃহৎ পৰিসৰ সামৰি লোৱা হয়। কেতবোৰ অতি গুৰুত্বপূর্ণ প্রকাশিত গৌণ তথ্য হৈছে - চৰকাৰী প্রকাশন (অর্থনৈতিক জৰীপ, লোকপিয়লৰ তথ্য), আন্তঃৰাষ্ট্রীয় সংস্থা যেনে ৰাষ্ট্রসংঘ, বিশ্ব স্বাস্থ্য সংস্থা, অর্ধ চৰকাৰী প্রকাশন (জন্ম, মৃত্যু আৰু শিক্ষাৰ প্রতিবেদন), বিভিন্ন কমিটিয়ে দাখিল কৰা প্রতিবেদন আৰু চৰকাৰী কমিছনৰ প্রতিবেদন, ব্যক্তিগত প্রকাশন (ষ্টক একচেঞ্জ), বিভিন্ন বাতৰি কাকত আৰু আলোচনী, প্রকাশিত গৱেষণাৰ কাকত আৰু প্রতিবেদন আদি।

টেবুল ৩ ঃ

গৌণ তথ্যৰ উৎস



৬.৪.২ গৌণ তথ্যৰ সুবিধাসমূহ

- গৌণ তথ্যই সময় আৰু ধন দুয়োটাৰে ৰাহি কৰে। সেইবাবে প্রাথমিক তথ্যৰ তুলনাত গৌণ তথ্য আর্থিকভাৱে লাভজনক।

- গৌণ তথ্যই গৱেষকক গৱেষণা ক্ষেত্ৰৰ পটভূমি আৰু ইতিহাস বুজাত সহায় কৰে।
- গৌণ তথ্যই গৱেষকক প্ৰাথমিক তথ্য সংগ্ৰহৰ ভেঁটি গঢ়াত সহায় কৰে।
- লোকপিয়ল অথবা প্ৰশাসনীয় তথ্য আদি গৌণ তথ্যই এক বৃহৎসংখ্যক লোক আৰু ক্ষেত্ৰ সামৰি লয়। প্ৰাথমিক তথ্য সংগ্ৰহৰ একে পৰিসৰৰ ক্ষেত্ৰ আৰু ব্যক্তি সামৰাটো যথেষ্ট কঠিন।
- গৌণ তথ্যই গৱেষকক বিভিন্ন গৱেষণা ক্ষেত্ৰৰ পৰা বিভিন্ন সময়ত সংগ্ৰহ কৰা তথ্যৰ তুলনা কৰাত সহায় কৰে।

৬.৪.৩ গৌণ তথ্য সংগ্ৰহৰ অসুবিধাসমূহ

- গৌণ তথ্য ম্যাদ উকলা হ'ব পাৰে যাৰ বাবে সাম্প্ৰতিক গৱেষণাত এয়া কামত নাহিবও পাৰে।
- গৌণ তথ্য শুদ্ধ নে অশুদ্ধ বিবেচনা কৰাটো কঠিন।
- গৱেষকে সামৰি ল'ব বিচৰা সম্পূৰ্ণ ক্ষেত্ৰ গৌণ তথ্যই সামৰি নল'বও পাৰে।
- কেতিয়াবা সহায়ক তথ্য দিবলৈ সংগঠন অথবা আন সংস্থাই অসন্মতিও প্ৰকাশ কৰিব পাৰে। এনেক্ষেত্ৰত প্ৰাথমিক তথ্য সংগ্ৰহৰ বাহিৰে গৱেষকৰ হাতত আন কোনো উপায় নাথাকে।
- কেতিয়াবা আধৰুৱা আৰু অশুদ্ধ সহায়ক তথ্যই গৱেষকক ভুল দিশলৈ বিভৰান্ত কৰিব পাৰে।

৬.৫ প্ৰাথমিক তথ্য আৰু গৌণ তথ্যৰ তুলনা

প্ৰাথমিক তথ্য আৰু গৌণ তথ্যৰ মাজত বহুতো পাৰ্থক্য আছে। আটাইতকৈ গুৰুত্বপূৰ্ণ পাৰ্থক্য হৈছে প্ৰাথমিক তথ্য সত্যনিৰ্ভৰ আৰু মূল প্ৰকৃতিৰ আনহাতে গৌণ তথ্য হৈছে কেৱল প্ৰাথমিক তথ্যৰ বৰ্ণনা আৰু বিশ্লেষণ। আমি তলত দিয়া ধৰণে প্ৰাথমিক তথ্য আৰু গৌণ তথ্যৰ পাৰ্থক্য দেখুৱাব পাৰো-

টেবুল ৪ ঃ প্ৰাথমিক তথ্য আৰু সহায়ক তত্যৰ তুলনা

তুলনাৰ ভিত্তি	তথ্যভিত্তিক	তুলনাৰ ভিত্তি
অৰ্থ	প্ৰাথমিক তথ্য পোনে পোনে হাতত পৰা তথ্য অৰ্থাৎ গৱেষকে নিজে সংগ্ৰহ কৰা তথ্য।	গৌণ তথ্য আওপকীয়াকৈ লাভ কৰা তথ্য অৰ্থাৎ এই তথ্য আগৰে পৰা উপলব্ধ আৰু আন কোনোবাই সংগ্ৰহ কৰা।
তুলনাৰ ভিত্তি	প্ৰাথমিক তথ্য সাম্প্ৰতিক আৰু বৰ্তমান সময়ৰ তথ্য।	গৌণ তথ্য আগৰ তথ্য
তুলনাৰ ভিত্তি		